**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-12-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। ইংৰাজী নতুন বৰ্ষক আদৰাৰ বাবে বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো প্ৰস্তুতি। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ইংৰাজী নৱবৰ্ষ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা।

২। নতুন বছৰৰ পহিলা দিনটোত কাইলৈ অবিভক্ত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ আৱক্ষ মূৰ্তি ৰাইজৰ নামত উৎসৰ্গা।

৩। বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছিক অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা প্ৰদান।

৪। কাইলৈৰ পৰা কাৰ্যকৰী হ'বলগীয়া নতুন সময়সূচীত কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰাকাল হ্ৰাস।

আৰু

৫। সমাগত পঞ্চায়ত নিৰ্বাচনৰ চূড়ান্ত ভোটাৰ তালিকাত নাম পৰীক্ষা কৰাৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগৰ ৱেবছাইট মুকলি।

০০০০

চাওঁতে চাওঁতে ইংৰাজী ২০২৪ বৰ্ষই বিদায় ল'বলৈ ওলাইছে। আৰু কেইটামান ঘণ্টাৰ পাছতে ২০২৪-এ বিদায় ল'ব আৰু এটা নতুন বৰ্ষ আৰম্ভ হ'ব। ৰাজনীতি, সমাজনীতি, সাহিত্য-সংস্কৃতি, চলচ্চিত্ৰ, ক্ৰীড়া আৰু বিজ্ঞান-প্ৰযুক্তি জগতৰ বহু ঘটনা-পৰিঘটনাৰ সাক্ষী হৈ ৰ'ল ২০২৪ বছৰটো।

বিদায়ী বৰ্ষটোৰ কিছু উল্লেখযোগ্য ঘটনাৰাজীত আলোকপাত কৰি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত উভতি চাওঁ-২০২৪ শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত এই বছৰত বাতৰিৰ শিৰোনাম দখল কৰা কেইবাটাও উল্লেখযোগ্য ঘটনা আৰু এইসমূহৰ প্ৰভাৱ সম্পৰ্কত ষ্টুডিঅ'ত উপস্থিত থকা আলোচকসকলে মতামত আগবঢ়াব। বিশিষ্ট চলচ্চিত্ৰ সমালোচক, লেখক উৎপল দত্ত, জ্যেষ্ঠ সাংবাদিক জিতেন্দ্ৰ কুমাৰ চৌধুৰী আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতিম শৰ্মাই।

ইংৰাজী নতুন বৰ্ষক আদৰাৰ বাবে বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো প্ৰস্তুতি চলিছে। আজি বছৰৰ অন্তিম দিনা বনভোজস্থলীসমূহতো যথেষ্ট ভিৰ পৰিলক্ষিত হৈছে। চৰাইদেউ জিলাৰ বগৰীচাপৰিত সহস্ৰাধিক লোকে বনভোজৰ আনন্দ উপভোগ কৰে। বৰপেটা জিলাৰ বাঘবৰৰ ব্ৰহ্মপুত্ৰৰ বালিচৰ, সৰভোগৰ বেঁকী নদীৰ বালিচৰকে ধৰি বিভিন্ন বনভোজস্থলীত আজি যথেষ্ট লোকৰ সমাগম হয়। নৱবৰ্ষৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে জিলা প্ৰশাসনসমূহে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। নৱবৰ্ষৰ লগতে বৰ্তমানৰ বনভোজৰ বতৰত সঘনে হোৱা পথ দুৰ্ঘটনা ৰোধ কৰিবলৈ আৰক্ষী আৰু পৰিবহণ বিভাগে ৰাজ্যৰ বিভিন্ন স্থানত নিৰীক্ষণ ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইংৰাজী নৱবৰ্ষ উপলক্ষে ৰাজ্যবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। আজি এটা বিবৃতিত মুখ্যমন্ত্ৰীয়ে কয়, যে নৱবৰ্ষই সদায় নতুন আশা কঢ়িয়াই অনাৰ লগতে নতুন

উৎসাহ আৰু উদ্দীপনাৰে আগুৱাই যোৱাৰ বাবে সকলোকে উৎসাহিত কৰে। নতুন বছৰটোৱে স্বকীয় পৰম্পৰা তথা গৰিমা মণ্ডিত ঐতিহ্যৰে সমৃদ্ধ ৰাজ্যৰ জনসাধাৰণৰ মাজৰ সম্প্ৰীতিৰ এনাজৰী অধিক সুদৃঢ় কৰি তুলিব বুলি ড০ শৰ্মাই আশা প্ৰকাশ কৰে। সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা, এ আই ইউ ডি এফৰ সভাপতি তথা প্ৰাক্তন সাংসদ মৌলানা বদৰুদ্দিন আজমলে ৰাজ্যবাসীলৈ নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰে। এটা বিবৃতিত সভাপতিগৰাকীয়ে ইংৰাজী নৱবৰ্ষই সকলোৰে মাজলৈ শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ লগতে ভাতৃত্ববোধৰ এনাজৰী সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে।

ooooo

ৰাজ্য চৰকাৰে কাইলৈ নতুন বছৰৰ পহিলা দিনটোত গুৱাহাটী মহানগৰীত কেইবাকোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এখন পদপথ সেঁতু আৰু অবিভক্ত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ আৱক্ষ মূৰ্তি ৰাইজৰ নামত উৎসৰ্গা কৰিব। গুৱাহাটী মহানগৰীৰ পল্টন বজাৰৰ ৰে'ল ষ্টেচনৰ সমীপৰ জি এছ ৰোডৰ ওপৰত প্ৰায় ১৬ কোটি ৬৭ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা অত্যাধুনিক পদপথ সেঁতুখনে গুৱাহাটী ৰে'ল ষ্টেচনলৈ যাবলগীয়া পথচাৰীসকলৰ যাত্ৰা সুগম কৰিব। এই সেতুখনত দিব্যাংগসকলৰ বাবে লিফ্‌ট আৰু মহিলা আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে এস্কেলেটৰৰ সুবিধা ৰখা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ পুৱাৰ ভাগত এই পদসেতুখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীয়ে কাইলৈ ভাৰতৰত্ন সন্মানেৰে বিভূষিত অসমৰ প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ সমাধি-শান্তিস্থলত নিৰ্মাণ কৰা তেওঁৰ আৱক্ষ প্ৰতিমূৰ্তি আৰু নতুন পুথিভঁৰাল ভৱনো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। উল্লেখযোগ্য যে গুৱাহাটী মহানগৰীৰ শিলপুখুৰী নৱগ্ৰহ শ্মশানৰ দাঁতিতে লাগি থকা এই শান্তিস্থলৰ পুনৰ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে প্ৰায় ১ কোটি ২৬ লাখ টকা ব্যয় কৰিছে। এই শান্তিস্থলত পুথিভঁৰাল ভৱন, শোভাবৰ্ধক প্ৰৱেশদ্বাৰ আৰু সীমা দেৱাল, শিশুৰ খেল ধেমালি ক্ষেত্ৰ আদিৰ সু-ব্যৱস্থা থাকিব। কাইলৈৰ উদ্বোধনী অনুষ্ঠানত গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া উপস্থিত থাকিব।

ooooooo

ৰাজ্যৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ কল্যাণৰ হকে ৰাজ্য চৰকাৰে কাইলৈৰ পৰা বিশেষ ব্যৱস্থাৰ সূচনা কৰিছে। সেই অনুসৰি কৰ্মচাৰীসকলৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰি পাৰস্পৰিক বদলিকৰণৰ পোৰ্টেল স্বাগত সতীৰ্থ কাইলৈ মুকলি কৰা হ'ব। কৰ্মচাৰীসকলে চাকৰি কালত দুবাৰকৈ এই সুবিধা গ্ৰহণ কৰিব পাৰিব।

ooooooo

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত খানাপাৰাত অনুষ্ঠিত অসম গ্ৰন্থমেলাত আজি বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছিক অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা প্ৰদান কৰা হয়। 'মৌন ওঁঠ মুখৰ হৃদয়' উপন্যাসখনৰ বাবে ২০০৫ চনত সাহিত্য একাডেমী বঁটা লাভ কৰা সাহিত্যিকগৰাকীক 'ধাৰ আৰু অন্যান্য গল্প' শীৰ্ষক সংকলনটোৰ কাৰণে অসম প্ৰকাশন পৰিষদ বঁটা আগবঢ়োৱা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি অসম গ্ৰন্থমেলাৰ পঞ্চম দিনা শ্ৰী ঠংছিক এই বঁটা প্ৰদান কৰে। এই বঁটাত এখন অংগবস্ত্ৰ, স্মাৰক, কিতাপৰ টোপোলা আৰু ৫ লাখ টকাৰ চেক সাহিত্যিকগৰাকীলৈ আগবঢ়োৱা হয়। একেদৰে গ্ৰন্থখন প্ৰকাশ কৰাৰ বাবদ প্ৰকাশক বনলতাৰ স্বত্বাধিকাৰী অনন্ত হাজৰিকালৈ অসম প্ৰকাশন

পৰিষদ সাহিত্য (প্ৰকাশক) বঁটা প্ৰদান কৰা হয়। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে বঁটা হিচাপে অংগবস্ত্ৰ, স্মাৰক, কিতাপৰ টোপোলা আৰু ৩ লাখ টকাৰ চেক প্ৰকাশকগৰাকীলৈ আগবঢ়ায়।

বঁটা গ্ৰহণ কৰি বিশিষ্ট সাহিত্যিকগৰাকীয়ে অৰুণাচল প্ৰদেশত নৱ প্ৰজন্মৰ মাজত সাহিত্য চৰ্চাৰ কাৰণে তেওঁ একাধাৰে নিৰৱচ্ছিন্নভাৱে হাতত লোৱা প্ৰচেষ্টাসমূহৰ বিষয়ে উল্লেখ কৰে। অসম প্ৰকাশন পৰিষদ বঁটাৰ বাবে তেওঁৰ গ্ৰন্থখনক নিৰ্বাচন কৰাৰ কাৰণে কৃতজ্ঞতা জ্ঞাপন কৰি বিশিষ্ট সাহিত্যিকগৰাকীয়ে এনেদৰে কয় -

-বাইট-

আজিৰ অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহা, সচিব প্ৰমোদ কলিতা, পুথি প্ৰকাশন আৰু বিক্ৰেতা সংস্থাৰ সভাপতি ধীৰাজ গোস্বামীকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

0000000

কাইলৈৰ পৰা সমগ্ৰ দেশতে ৰে'লৰ নতুন সময়সূচী কাৰ্যকৰী হ'ব। এই নতুন সময়সূচীত উত্তৰ-পূৰ্ব সীমান্ত ৰে'লৰ অধীনত চলাচল কৰা মুঠ ৪৩ খন ৰে'লগাড়ীৰ বেগ দ্ৰুত হোৱাৰ ফলত যাত্ৰাকাল দুঘণ্টা পৰ্যন্ত হ্ৰাস পাব। যাত্ৰাকাল হ্ৰাস পাবলগীয়া ৰে'লগাড়ীসমূহৰ ভিতৰত নিউ তিনিচুকীয়া আৰু বাংগালুৰুৰ মাজত চলাচল কৰা ২২৫০১ নম্বৰ এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ যাত্ৰাকাল পূৰ্বৰ তুলনাত দুঘণ্টা হ্ৰাস পাব। একেদৰে ১৫০৭৭ নম্বৰৰ কামাখ্যা আৰু গোমতীনগৰৰ মাজত চলাচল কৰা এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ যাত্ৰাৰ সময় পূৰ্বৰ তুলনাত প্ৰায় ডেৰ ঘণ্টা ৰাহি হ'ব। ১৫৯৬২ নম্বৰৰ কামৰূপ এক্সপ্ৰেছ নামেৰে জনাজাত ডিব্ৰুগড়-হাওৰা এক্সপ্ৰেছখনৰো যাত্ৰাৰ সময় নতুন সময়সূচী অনুযায়ী এঘণ্টা ৰাহি হ'ব। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াগৰাকীয়ে জনোৱা মতে, এই নতুন সময়সূচী অনুসৰি শিলচৰ আৰু থিৰুৱনন্তপুৰমৰ মাজত চলাচল কৰা ১২৫০৮ নম্বৰ ৰে'লগাড়ীখনৰো যাত্ৰাৰ সময় কিছু সালসলনি হ'ব। ইয়াৰ লগতে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ কাটিহাৰ আৰু মালদা সংমণ্ডলৰ অধীনৰ আন ২৩ খন ৰে'লগাড়ীৰ সময়সূচীৰো সালসলনি ঘটোৱা হৈছে বুলি মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াগৰাকীয়ে জনাইছে।

0000000

অগ্নি আৰু আপাতকালীন সেৱা বিভাগ তথা অসামৰিক প্ৰতিৰক্ষা বিভাগৰ তিনিচুকীয়া জিলা শাখাৰ উদ্যোগত আজি এটা প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। জিলাখনৰ বিভিন্ন ঠাইৰ অৰ্ধ শতাধিক যুৱক-যুৱতীয়ে এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। প্ৰশিক্ষণ কাৰ্যসূচীত ৰেচপঞ্চ টীম কমাণ্ডৰ সূৰুয খনিকৰ, অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উপ-নিয়ন্ত্ৰক ৰূপান্ত সোণোৱাল, প্ৰশিক্ষক ড° ৰাজীৱ বৰদলৈ আৰু মানৱজ্যোতি পাংগিঙৰ তত্বাৱধানত দুৰ্যোগ প্ৰশমনৰ বিভিন্ন ব্যৱস্থাৱলী প্ৰদৰ্শন কৰা হয়।

0000000

অসমৰ পৰ্যটন মানচিত্ৰত ক্ৰমাৎ উজ্বলি উঠা তিনিচুকীয়া জিলাৰ মতাপুং মাগুৰিবিললৈ শীতৰ বতৰত বিভিন্ন পৰিভ্ৰমী পক্ষীৰ আগমন ঘটিছে। ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ নিকটৱৰ্তী এই পক্ষীবিলখনত মেন্দেৰিন ডাকৰ দৰে বিৰল প্ৰজাতিৰ পৰিভ্ৰমী চৰাইৰ সমাৰেশ ঘটা দেখিবলৈ পোৱা যায়। ইয়াৰ লগতে ডিব্ৰু নৈয়ে জীপাল কৰি ৰখা পক্ষী উদ্যানখনত পৰ্যটকসকলে সততে দুষ্প্ৰাপ্য শিহু পৰিদৰ্শন কৰাৰো সুযোগ লাভ কৰে।

বিলখনক কেন্দ্ৰ কৰি অঞ্চলটোত ভালেমান গ্ৰাম্য পৰ্যটন কেন্দ্ৰ গঢ়ি উঠাৰ ফলত নিবনুৱা যুৱক-যুৱতীসকলৰ কাৰণে আত্ম সংস্থাপনৰ পথ মুকলি হৈছে।

০০০০০০০

কাৰ্বি আংলং জিলাৰ বকলীয়াঘাটৰ চিংথুৰ প্ৰকাশনৰ উদ্যোগত প্ৰদান কৰা ৰংবং টেৰাং সমন্বয় বঁটা এইবাৰ অৰণ্য মানৰ যাদৱ পায়ঙলৈ আগবঢ়োৱা হৈছে। এখন সংবাদমেল সম্বোধন কৰি উদ্যোক্তাসকলে আজি এই কথা ঘোষণা কৰে। বিশিষ্ট সাহিত্যিক শ্ৰী টেৰাঙৰ জন্মদিন ১৩ জানুৱাৰীত বকলীয়াঘাটত এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০০

বিশিষ্ট চিত্ৰশিল্পী দিলীপ তামুলীলৈ ২০২৪ বৰ্ষৰ প্ৰণৱ বৰুৱা শিল্পী বঁটা আগবঢ়োৱা হৈছে। চিত্ৰকলা আৰু ভাস্কৰ্যৰ ক্ষেত্ৰত জীৱনজোৰা সাধনাৰ স্বীকৃতি হিচাপে দিলীপ তামুলীলৈ এই বঁটা আগবঢ়োৱা হৈছে। ২০০২ চনৰ পৰা প্ৰয়াত চিত্ৰশিল্পী প্ৰণৱ বৰুৱাৰ স্মৃতিত প্ৰতি বছৰে উত্তৰ পূৰ্বাঞ্চলৰ একোগৰাকী শিল্পীলৈ এই বঁটা প্ৰদান কৰি অহা হৈছে। এই বঁটাত আছে - এটা স্মাৰক, এখন প্ৰশস্তি পত্ৰ আৰু নগদ ২৫ হাজাৰ টকা। উল্লেখযোগ্য যে ১৯৫৮ চনত মাজুলীত জন্মগ্ৰহণ কৰা শিল্পী দিলীপ তামুলীয়ে শান্তি নিকেতনৰ বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ পৰা গ্ৰাফিক্সৰ স্নাতকোত্তৰ ডিপ্ল'মা অৰ্জন কৰে। গুৱাহাটীৰ চৰকাৰী চাৰুকলা মহাবিদ্যালয়ত অৱসৰ গ্ৰহণ কৰা শিল্পীজনে ৰাজ্যৰ চিত্ৰকলাৰ ক্ষেত্ৰখনলৈ বহু বৰঙণি আগবঢ়াইছে।

০০০০০০০

কোকৰাঝাৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত এখন পাঁচদিনীয়া বৃত্তিমূলক প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। গোসাঁইগাঁও টেলিপাৰাস্থিত কেন্দ্ৰৰ সভাগৃহত আয়োজিত কাৰ্যসূচীত জিলাখনৰ কেইবাটাও আত্মসহায়ক গোটৰ সদস্যই অংশগ্ৰহণ কৰে। কেন্দ্ৰটোৰ সমুদায় বিজ্ঞান বিভাগৰ বিশেষজ্ঞ প্ৰশিক্ষক পৰ্ণা শৰ্মা চক্ৰৱৰ্তীৰ তত্বাৱধানত আয়োজিত এই কাৰ্যসূচীত দলিচা প্ৰস্তুতকৰণৰ বিষয়ে অংশগ্ৰহণকাৰীসকলক প্ৰশিক্ষণ দিয়া হয়। উল্লেখযোগ্য যে কোকৰাঝাৰ কৃষিবিজ্ঞান কেন্দ্ৰৰ উদ্যোগত প্ৰতিবছৰে বিভিন্ন বিষয়ত বৃত্তিমূলক প্ৰশিক্ষণৰ আয়োজন কৰা হয় বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০০

২০২৪ বছৰটো ক্ৰীড়াৰ ক্ষেত্ৰত কেইবাটাও উল্লেখযোগ্য ঘটনাৰ সাক্ষী হৈ ৰ'ল। বহু ক্ৰীড়া তাৰকাৰ উত্থান ঘটিল আৰু বহুতৰ পতনো এই বছৰতে আৰম্ভ হ'ল। আমাৰ সহযোগী অনুজা লোপামুদ্ৰাই আগবঢ়াইছে বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ চমু বিৱৰণ। আহকচোন শুনো।

**বাইট (অনুজা লোপামুদ্ৰা)**

০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে ২০২৪-২৫ বৰ্ষৰ পঞ্চায়ত নিৰ্বাচনৰ চূড়ান্ত ভোটাৰ তালিকাত ভোটদাতাসকলে নিজৰ নাম পৰীক্ষা কৰাৰ বাবে এটা ৱেবছাইট মুকলি কৰিছে। ermssec.assam.gov.in ৱেবছাইটত গৈ ভোটদাতাসকলে ভোটাৰ তালিকা ডাউনলোড কৰি অথবা ভোটাৰ কাৰ্ডৰ নম্বৰৰ জৰিয়তে নিজৰ নাম পৰীক্ষা কৰিব পাৰিব। জিলা আয়ুক্তৰ কাৰ্যালয়, জিলা পৰিষদ, গাঁও পঞ্চায়ত অথবা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়লৈ গৈও ভোটদাতাসকলে তালিকাত তেওঁলোকৰ নাম পৰীক্ষা কৰিব পাৰিব। বয়সৰ হিচাপত কাইলৈৰ ভিতৰত

ভোট দিয়াৰ বাবে যোগ্য বিবেচিত যুৱক-যুৱতীসকলেও এই ৱেবছাইটৰ জৰিয়তে নিৰ্বাচনী খচৰাত নিজৰ নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন দাখিল কৰিব পাৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সহকাৰী অভিযন্তা অমিত পাল, অভিযান্ত্ৰিক সহায়ক নজমুল হক আৰু উচ্চ বৰ্গৰ সহায়ক ৰঞ্জিত কুমাৰ জ্যোতিয়ে আজি অৱসৰ গ্ৰহণ কৰিছে। অমিত পালে ১৯৮৮ চনত আকাশবাণীৰ আইজল কেন্দ্ৰত যোগদান কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৮টা আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰত সেৱা আগবঢ়ায়। নজমুল হকে ১৯৮৮ চনত দূৰদৰ্শনৰ উখৰুল কেন্দ্ৰত যোগদান কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৫টা আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰত সেৱা আগবঢ়ায়। ৰঞ্জিত কুমাৰ জ্যোতিয়ে ১৯৯৩ চনত গুৱাহাটী দূৰদৰ্শনত যোগদান কৰি পৰৱৰ্তী কালত আকাশবাণী তুৰা আৰু গুৱাহাটী কেন্দ্ৰত সেৱা আগবঢ়ায়। আজি বিয়লি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সভাকক্ষত আয়োজিত এখন বিদায় সভাত কেন্দ্ৰটোৰ বিষয়া-কৰ্মচাৰীসকলে তিনিওগৰাকী সহকৰ্মীক আন্তৰিকভাৱে বিদায় সম্ভাষণ জনায়।

০০০০০০

ওদালগুৰি জিলা আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত বিগত বছৰত চলোৱা অভিযানত জব্দ কৰা ৯৯৭ কিলোগ্ৰাম ভাং আজি জ্বলাই নষ্ট কৰে। জিলাখনৰ সোণাৰিপাৰাত দণ্ডাধীশৰ লগতে জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, আবকাৰী বিভাগ আৰু স্বাস্থ্য বিভাগৰ বিভিন্ন বিষয়ববীয়াৰ উপস্থিতিত এই নিচাযুক্ত দ্ৰব্য নিষ্পত্তি কাৰ্যসূচী সম্পন্ন কৰা হয়। ইয়াৰ পাছত সাংবাদিকক সম্বোধন কৰি জিলা আৰক্ষী অধীক্ষক পুস্কিন জৈনে জ্বলাই দিয়া মাদক দ্ৰব্যখিনিৰ মূল্য প্ৰায় ৪ কোটি ৯৮ লাখ টকা হ'ব বুলি জানিবলৈ দিয়ে। বিষয়াগৰাকীয়ে লগতে ২০২৫ বৰ্ষতো ওদালগুৰি আৰক্ষীয়ে মাদকদ্ৰব্য বিৰোধী অভিযান অব্যাহত ৰাখিব বুলি উল্লেখ কৰে।

০০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাত আজি জলজীৱন মিছনৰ ১১টা নতুন প্ৰকল্প মুকলি কৰা হয়। জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ত মুকলি কৰা এই প্ৰকল্পকেইটাৰ জৰিয়তে জিলাখনৰ ২ হাজাৰ ৯৮২টা পৰিয়াললৈ বিশুদ্ধ খোৱাপানী যোগান ধৰা হ'ব। জিলাখনত বৰ্তমানলৈকে ৰূপায়ণ হোৱা ২৮৫টা জলজীৱন মিছন প্ৰকল্পৰ ভিতৰত ইতিমধ্যে ২১৫টাৰ কাম সম্পূৰ্ণ হৈছে বুলি জিলা কাৰ্যবাহী অভিযন্তাই জানিবলৈ দিছে।

০০০০০০

প্ৰাক্তন ৰাষ্ট্ৰীয় পৰ্যায়ৰ ভলীবল খেলুৱৈ অনন্ত তালুকদাৰৰ আজি গুৱাহাটীত দেহাৱসান ঘটে। গুৱাহাটী ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সদস্য তথা অসম ৰেফাৰী ব'ৰ্ডৰ প্ৰাক্তন সচিব তালুকদাৰৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৯ বছৰ। তেওঁৰ নশ্বৰদেহ আজি গুৱাহাটী ভলীবল প্ৰশিক্ষণ কেন্দ্ৰলৈ অনা হয় আৰু তাতেই বিদেহ আত্মাৰ প্ৰতি প্ৰশিক্ষণ কেন্দ্ৰ আৰু ভলীবল সংস্থাৰ বিষয়ববীয়া আৰু খেলুৱৈসকলে শেষ শ্ৰদ্ধা তৰ্পণ কৰে। অসম ভলীবল সন্থাই অনন্ত তালুকদাৰৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**